অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং : ৪১৬
উত্তৰ দানৰ তাৰিখ –২২/০৭/২০২৬

*বিষয় :* ***Geo-tagging* সন্দৰ্ভত**
বিধায়ক: ড° তপন দাসঃ

<u>প্ৰশ্ন</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ
(ক) ৰাজ্যত প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰাম্য (PMAY-G) ৰ অধীনত জিঅ'টেগ (Geo-Tagging) বা কাৰিকৰী ত্ৰুটিৰ বাবে কিমানগৰাকী হিতাধিকাৰীৰ গৃহ নিৰ্মাণৰ কিস্তি আৱদ্ধ হৈ আছে ? (জিলাভিত্তিত তথ্য সদনত দাখিল কৰিব)
(খ) জিঅ'টেগিং, মোবাইল এপৰ কাৰিকৰী ত্ৰুটি, ইন্টাৰনেট সংযোগৰ অভাৱ, ভুল তথ্য আপলোড আদিৰ ফলত কিমানটা অভিযোগ লাভ কৰা হৈছে আৰু ইয়াৰে কিমানটা অভিযোগ নিষ্পত্তি কৰা হৈছে ?
(গ) জিঅ'টেগিং সমস্যাৰ বাবে গৃহ নিৰ্মাণৰ কিস্তি লাভৰ পৰা বঞ্চিত হোৱা প্ৰকৃত হিতাধিকাৰীসকলৰ সমস্যা সমাধানৰ বাবে চৰকাৰে কি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে ?
(ঘ) এই সমস্যাসমূহ দ্ৰুত সমাধানৰ বাবে জিলা আৰু গাঁও পঞ্চায়ত পৰ্য্যায়ত বিশেষ কাৰিকৰী দল নিয়োগ কৰাৰ কোনো পৰিকল্পনা আছেনে ?
(ঙ) ডিমৰীয়া সমষ্টিত কিমান সংখ্যক দুখীয়া পৰিয়ালৰ বৰ্তমানেও জিঅ'টেগ কৰা হোৱা নাই আৰু দুখীয়া পৰিয়াল সমূহক পুনৰ জিঅ'টেগ কৰাৰ বিশেষ অভিযান চলোৱা হ'ব নেকি?
(চ) জিঅ'টেগিং সম্পন্ন হোৱাৰ পিছতো কিস্তি মুকলি নোহোৱা গৃহ সমূহৰ সংখ্যা কিমান আৰু কেতিয়ালৈ এই সমস্যা সমাধান হ'ব? (জিলা ভিত্তিত তথ্য সদনত দাখিল কৰিব)

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) অসমত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত হিতাধিকাৰীসকলে তিনিটা কিস্তিত গৃহ নিৰ্মাণৰ ধন DBT যোগে তেওঁলোকৰ আধাৰ সংলগ্ন বেংক একাউন্টত লাভ কৰে। ইয়াৰে প্ৰথমটো কিস্তি ঘৰ আবন্টনৰ পিছত, দ্বিতীয়টো Plinth Level সম্পূৰ্ণ হোৱাৰ পিছত আৰু তৃতীয় বা অন্তিম কিস্তিটো Roof Cast Level সম্পূৰ্ণ হোৱাৰ পিছত লাভ কৰে। ইয়াৰে প্ৰত্যেকটো পৰ্য্যায়ত অৰ্থাৎ তিনিটা পৰ্য্যায়ত তিনিবাৰ গাওঁ পঞ্চায়তৰ কৰ্মীয়ে জিঅ'টেগ কৰে আৰু PMAY-G MIS ত সত্যতা প্ৰতিপন্ন হোৱাৰ পিছত হিতাধিকাৰীৰ বেংক একাউন্টত ধন জমা হয়। পৰ্যায়ভিত্তিক এই ধন মুকলিৰ ব্যৱস্থাৰ অধীনত নিৰ্ধাৰিত গৃহ নিৰ্মাণৰ পৰ্য্যায় শেষ হ'লেহে আৰু সেই অগ্ৰগতি যথাযথভাৱে পৰীক্ষা কৰাৰ পিছতহে পৰৱৰ্তী কিস্তি মুকলি কৰি দিয়া হয়।

অৱশ্যে বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ Centrally Sponsored আঁচনিসমূহৰ বাবে প্ৰৱৰ্তন কৰা SNA-SPARSH ব্যৱস্থাৰ ফলত PMAY-G গৃহ নিৰ্মাণৰ কিস্তি প্ৰদানৰ প্ৰক্ৰিয়াটো আগতকৈ দীঘলীয়া হৈ পৰিছে। এই নতুন ব্যৱস্থাত প্ৰতিটো payment ফাইল AwaasSoft, ৰাজ্যৰ বিত্ত বিভাগ, গ্ৰামোন্নয়ন মন্ত্ৰালয়, PFMS, কেন্দ্ৰীয় RBI, ৰাজ্যিক RBI শাখা আৰু NPCI আদি একাধিক স্তৰৰ মাজেৰে পাৰ হ'ব লগা হয়, যাৰ ফলত সমগ্ৰ প্ৰক্ৰিয়া দিঘলীয়া হয়।

ইয়াৰ উপৰিও বিত্তীয় বৰ্ষ ২০২৫-২৬ ত কেন্দ্ৰীয় চৰকাৰৰ পৰা বিত্তীয় আৱণ্টন পোৱাত দেৰি হোৱাৰ বাবে হিতাধিকাৰীৰ কিস্তিসমূহ মুকলি কৰি দিয়াত কিছু পলম হৈছিল যদিও, বিত্তীয় আৱণ্টন অহাৰ পিছত হিতাধিকাৰীসকলক প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (PMAY-G) আঁচনিৰ অধীনত তেওঁলোকৰ ব্যক্তিগত বেংক একউণ্টত তেঁওলোকৰ নিজৰ গৃহ নিৰ্মাণৰ বাবে Direct Benefit Transfer (DBT) ৰ জৰিয়তে কামৰ অগ্ৰগতিৰ লগত সামঞ্জস্য ৰাখি কিস্তিসমূহ নিয়মীয়াভাৱে মুকলি কৰি থকা হৈছে।

১৭-০৭-২০২৬ তাৰিখত অসমত বিভিন্ন পৰ্যায়ত ৬,৩৩,৩৬১ টা ঘৰৰ নিৰ্মাণ কাৰ্য্য চলি আছে আৰু হিতাধিকাৰীসকলে নিয়মীয়াভাৱে নিজৰ ধন লাভ কৰি আছে। ইয়াৰে জিলাভিত্তিক অগ্ৰগতিৰ খতিয়ান **পৰিশিষ্ট 'ক'** ত দিয়া হ'ল।

(খ) জিঅ'টেগিং, মোবাইল এপৰ কাৰিকৰী ক্ৰুটি, ইন্টাৰনেট সংযোগৰ অভাৱ বা ভুল তথ্য আপলোড আদিৰ ফলত উদ্ভৱ হ'ব পৰা বিভিন্ন সমস্যাৰ দ্ৰুত সমাধানৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত খণ্ড উন্নয়ন, জিলা আৰু ৰাজ্যিক পৰ্য্যায়ত সুব্যৱস্থা আছে। এই ব্যৱস্থাৰ অধীনত কাৰিকৰী সমস্যাৰ সমাধান প্ৰতিদিনেই নিয়মীয়াকৈ কৰা হয়। যদিহে গুৰুতৰ সমস্যা সমাধানৰ সময়ত সমস্যাৰ সন্মুখীন হয়, তেতিয়া Ministry of Rural Developmet, NIC, Govt. of India ৰ সহায়ত সমস্যাসমূহ নিষ্পত্তি কৰা হয়।

(গ) গৃহ নিৰ্মাণৰ কিস্তি লাভৰ পৰা কোনো হিতাধিকাৰী বঞ্চিত হোৱা নাই। যদিহে কোনো হিতাধিকাৰী গৃহ নিৰ্মাণৰ কিস্তি পোৱাত কোনো কাৰিকৰী বিজুতি দেখা দিয়ে, তাক প্ৰতিদিনে সমাধান কৰা হয় যাতে কোনো হিতাধিকাৰীয়ে নিজৰ গৃহ নিৰ্মাণত কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয়।

(ঘ) প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা যিকোনো কাৰিকৰী সমস্যা সমাধানৰ বাবে ৰাজ্যিক, জিলা আৰু খণ্ড উন্নয়ন পৰ্য্যায়ত নিৰ্দিষ্ট কাৰিকৰী বিষয়া আছে যিয়ে প্ৰতিদিনে যিকোনো পৰ্য্যায়ত উদ্ভৱ হোৱা সমস্যাৰ দ্ৰুত সমাধানৰ বাবে নিৰন্তৰ কাম কৰি আছে।

(ঙ) প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত আৱাস প্লাছ ২০২৪ জৰীপৰ দ্বাৰা সমগ্ৰ দেশৰ লগতে অসমতো মুঠ ৩৪,৯৯,১৪৪টা পৰিয়ালৰ জৰীপ ( প্ৰাথমিক geo tag) কৰা হৈছিল। সদ্যহতে ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ নীতি নিৰ্দেশনা অনুসৰি এই জৰীপ হৈ যোৱা পৰিয়ালসমূহৰ verification ৰ কাম চলি আছে। এই প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছত গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ দ্বাৰা যোগ্য হিতাধিকাৰীৰ স্থায়ী আপেক্ষাকৃত তালিকা (Permanent Wait List) প্ৰস্তুত কৰা হ'ব।

সমগ্ৰ অসমৰ লগতে ডিমৰীয়া সমষ্টিতো আৱাস প্লাছ জৰীপ চলোৱা হৈছিল আৰু ১১,০২১টা পৰিয়ালৰ জৰীপ কৰা হৈছে। জিলাৰ পৰা প্ৰাপ্ত তথ্য **পৰিশিষ্ট 'খ'** দিয়া হ'ল।

(চ) সদ্যহতে আৱাস প্লাস ২০২৪ জৰীপৰ অধীনত জিঅ'টেগ হোৱা পৰিয়ালসমূহৰ Verification ৰ কাম চলি আছে।

আৱাস প্লাছ ২০২৪ ৰ জৰীপৰ অধীনত স্ব-জৰীপ (Self Survey) আৰু Assisted Survey ৰ ব্যৱস্থা আছিল। Assisted Survey ৰ অধীনত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ নিৰ্দিষ্ট জৰীপকৰ্তাৰ দ্বাৰা জৰীপ কৰোৱা হৈছিল। লগতে স্বজৰীপৰ অধীনত যোগ্য বুলি বিবেচিত লোকে নিজাববীয়াকৈ জৰীপ কৰিব পাৰিছিল। এই স্বজৰীপৰ উদ্দেশ্যই আছিল যে কোনো দুখীয়া যোগ্যলোক যাতে জৰীপৰ পৰা বাদ পৰি নাযায়। এই সম্পৰ্কে পঞ্চায়ত গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা বাতৰি কাকত, ৰেডিঅ, সামাজিক মাধ্যমত তথা Public Announcement ৰ দ্বাৰা ব্যাপক প্ৰচাৰ চলোৱা হৈছিল যাতে কোনো যোগ্য লোক বাদ পৰি নাযায়।

Verification ৰ কাম শেষ হোৱাৰ পিছত PMAY-G ৰ স্থায়ী অপেক্ষাকৃত তালিকা (PWL) প্ৰস্তুত কৰা হ'ব। ইয়াৰ পিছত যোগ্য হিতাধিকাৰীসকলে Prority অনুসৰি ঘৰ লাভ কৰিব।

আৱাসপ্লাছ ২০২৪ জৰীপৰ জিলাভিত্তিক তথ্য **পৰিশিষ্ট ' গ '** ত দিয়াহ'ল|

( সংলগ্ন পত্ৰ সমূহ “**cms.neva.gov.in**” পোৰটেলত আপলোড কৰা হৈছে )

(Enclosures are uploaded in the “**cms.neva.gov.in**” portal.)

*******

পৰিশিষ্ট 'ক'

| Sl No | District Name | Sanction | Completed | Ongoing |
|---|---|---|---|---|
| 1 | BAJALI | 22,463 | 18,596 | 3,867 |
| 2 | BAKSA | 75,024 | 65,155 | 9,869 |
| 3 | BARPETA | 1,92,958 | 1,39,977 | 52,981 |
| 4 | BISWANATH | 77,031 | 51,521 | 25,510 |
| 5 | BONGAIGAON | 71,793 | 64,388 | 7,405 |
| 6 | CACHAR | 1,47,160 | 1,11,982 | 35,178 |
| 7 | CHARAIDEO | 23,074 | 16,400 | 6,674 |
| 8 | CHIRANG | 58,287 | 54,968 | 3,319 |
| 9 | DARRANG | 1,00,517 | 79,005 | 21,512 |
| 10 | DHEMAJI | 96,867 | 88,720 | 8,147 |
| 11 | DHUBRI | 1,61,134 | 1,23,986 | 37,148 |
| 12 | DIBRUGARH | 58,978 | 46,442 | 12,536 |
| 13 | DIMA HASAO | 20,784 | 17,417 | 3,367 |
| 14 | GOALPARA | 1,07,400 | 86,446 | 20,954 |
| 15 | GOLAGHAT | 99,167 | 75,892 | 23,275 |
| 16 | HAILAKANDI | 83,010 | 50,949 | 32,061 |
| 17 | HOJAI | 88,383 | 66,898 | 21,485 |
| 18 | JORHAT | 34,979 | 29,350 | 5,629 |
| 19 | KAMRUP | 1,48,241 | 1,14,404 | 33,837 |
| 20 | KAMRUP (METRO) | 11,899 | 10,650 | 1,249 |
| 21 | KARBI ANGLONG | 52,392 | 42,076 | 10,316 |
| 22 | KOKRAJHAR | 1,05,312 | 94,027 | 11,285 |
| 23 | LAKHIMPUR | 99,177 | 79,931 | 19,246 |
| 24 | MAJULI | 22,349 | 20,884 | 1,465 |
| 25 | MORIGAON | 1,23,676 | 97,481 | 26,195 |
| 26 | NAGAON | 2,02,101 | 1,51,598 | 50,503 |
| 27 | NALBARI | 68,336 | 54,619 | 13,717 |
| 28 | SIVASAGAR | 44,146 | 29,499 | 14,647 |
| 29 | SONITPUR | 86,463 | 60,196 | 26,267 |
| 30 | SOUTH SALMARA-MANKACHAR | 77,849 | 62,653 | 15,196 |
| 31 | SRIBHUMI | 1,06,907 | 80,003 | 26,904 |
| 32 | TAMULPUR | 51,740 | 45,014 | 6,726 |
| 33 | TINSUKIA | 65,913 | 41,335 | 24,578 |
| 34 | UDALGURI | 97,596 | 83,222 | 14,374 |
| 35 | WEST KARBI ANGLONG | 25,921 | 19,982 | 5,939 |
| **Total** | | **29,09,027** | **22,75,666** | **6,33,361** |

পৰিশিষ্ট 'ঙ'

GOVERNMENT OF ASSAM
OFFICE OF THE KAMRUP METRO ZILA PARISHAD
CHANDMARI :: GUWAHATI – 3

E-mail- kamrupmetrozp@gmail.com

No.KMZP(G)27/2014-15/Part-1/ Dated: /07/2026

To

The Commissioner
Panchayat& Rural Development, Assam
Juripar, Panjabari Road
Guwahati – 37

Sub : Reply against Assembly Question Dy. No. 40 to be asked by Dr. Tapan Das, MLA.

Sir,

With reference to the subject cited above, I have the honour to submit herewith the reply against Assembly Question Dy. No. 40 to be asked by Dr. Tapan Das, Hon'ble MLA.

(Unga) no Q. Ans:- As per the AwaasPlus 2024 Survey, a total of 11,021 households have been surveyed in Dimoria LAC. As reported by the field officials, no eligible household remains pending for survey. Since the survey included a self-survey provision, no eligible beneficiary is presumed to have been left out. However, if any eligible beneficiary is found to have been left out, the survey may be conducted once the Government reopens the AwaasPlus application/module

(Cha) no Q. Ans:- AwaasPlus 2024 survey is under process. Preparation of the PWL is yet to be completed. Installments will be released as per Government notification after completion of the PWL process.

Yours faithfully,

Chief Executive Officer
Kamrup Metro ZilaParishad
Chandmari, Guwahati-3

পৰিশিষ্ট 'গ'

## Awaas+ 2024 Survey (District-wise)

| Sl. No. | District Name | Self Survey | Assisted Survey | Total Survey |
|---|---|---|---|---|
| 1 | BAJALI | 1,460 | 17,774 | 19,234 |
| 2 | BAKSA | 2,435 | 76,516 | 78,951 |
| 3 | BARPETA | 15,839 | 122,930 | 138,769 |
| 4 | BONGAIGAON | 7,485 | 73,566 | 81,051 |
| 5 | BISWANATH | 1,441 | 97,244 | 98,685 |
| 6 | CACHAR | 17,604 | 154,004 | 171,608 |
| 7 | CHARAIDEO | 239 | 49,270 | 49,509 |
| 8 | CHIRANG | 1,389 | 74,301 | 75,690 |
| 9 | DARRANG | 16,710 | 99,382 | 116,092 |
| 10 | DHEMAJI | 2,798 | 98,728 | 101,526 |
| 11 | DHUBRI | 17,032 | 154,540 | 171,572 |
| 12 | DIBRUGARH | 1,498 | 107,928 | 109,426 |
| 13 | DIMA HASAO | 48 | 13,868 | 13,916 |
| 14 | GOALPARA | 12,014 | 112,435 | 124,449 |
| 15 | GOLAGHAT | 754 | 120,237 | 120,991 |
| 16 | HAILAKANDI | 22,534 | 49,502 | 72,036 |
| 17 | HOJAI | 7,343 | 130,305 | 137,648 |
| 18 | JORHAT | 848 | 77,533 | 78,381 |
| 19 | KAMRUP | 26,109 | 146,020 | 172,129 |
| 20 | KAMRUP (METRO) | 351 | 12,224 | 12,575 |
| 21 | KARBI ANGLONG | 3,221 | 76,748 | 79,969 |
| 22 | KOKRAJHAR | 7,136 | 119,780 | 126,916 |
| 23 | LAKHIMPUR | 1,348 | 133,625 | 134,973 |
| 24 | MAJULI | 172 | 26,737 | 26,909 |
| 25 | MORIGAON | 7,103 | 89,502 | 96,605 |
| 26 | NAGAON | 8,108 | 230,004 | 238,112 |
| 27 | NALBARI | 3,330 | 109,044 | 112,374 |
| 28 | SIVASAGAR | 990 | 55,828 | 56,818 |
| 29 | SONITPUR | 4,211 | 129,541 | 133,752 |
| 30 | SOUTH SALMARA-MANKACHAR | 7,173 | 63,418 | 70,591 |
| 31 | SRIBHUMI | 3,595 | 138,478 | 142,073 |
| 32 | TAMULPUR | 1,121 | 58,650 | 59,771 |
| 33 | TINSUKIA | 822 | 118,400 | 119,222 |
| 34 | UDALGURI | 6,120 | 116,893 | 123,013 |
| 35 | WEST KARBI ANGLONG | 265 | 33,543 | 33,808 |
| | **Total** | **210,646** | **3,288,498** | **3,499,144** |